**2018**

ASSAMESE

( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) ‘চকুলো’ নামৰ চনেট পুথিখনৰ কবিগৰাকী কোন?

(খ) ‘বিহগী’ কবি বুলি কাক কোৱা হয়?

(গ) ‘বনফুল’ নামৰ কাব্যগ্ৰন্থখনৰ কবিগৰাকীৰ নাম কি?

(ঘ) ‘অসম কেশৰী’ বুলি কাক আখ্যা দিয়া হয়?

(ঙ) নলিনীবালা দেৱীয়ে ৰচনা কৰা এখন কবিতা-পুথিৰ নাম লিখা।

(চ) 'চন্দ্ৰহাৰ' নামৰ কাব্য-পুথিখন কাৰ সৃষ্টি?

(ছ) 'বালিচন্দা' নামৰ কাব্যগ্ৰন্থৰ ৰচক কোন?

(জ) নৱকান্ত বৰুৱাৰ প্ৰথম কাব্য-পুথিখনৰ নাম কি?

(ঝ) 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ গ্ৰন্থৰ ৰচয়িতা কোন?

(ঞ) 'নিৰ্জনতাৰ শব্দ' কোনগৰাকী কবিৰ ৰচনা?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) 'ওমৰ তীৰ্থ' কাব্য-পুথিখনৰ ৰচক কোন আৰু এইখনৰ মূল গ্ৰন্থখনৰ কবিগৰাকী কোন দেশৰ আছিল?

(খ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ ঘাই বৈশিষ্ট্য কি কি?

(গ) 'কলংপৰীয়া' কবি বুলি কাক কোৱা হয়? তেওঁৰ কবিতাৰ এটি বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ দুটা আংগিকগত বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) ৰাম গগৈ সাম্প্ৰতিক কোনটো ধাৰাৰ কবি? তেওঁৰ এখন কাব্য-পুথিৰ নাম লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) চনেট কবিতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'বিশ্বদোলন' কবিতাটিত ৰহস্যবাদী চেতনা কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণসহ আলোচনা কৰা।

(গ) হেম বৰুৱাৰ 'মমতাৰ চিঠি' কবিতাত কোন বিদেশী কবিৰ প্ৰভাৱ লক্ষ্য কৰা যায়? সেই প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাত নাৰীৰ মানসিক জগতখনৰ কি চিত্ৰ প্ৰতিভাত হৈছে, আলোচনা কৰা।

(ঙ) নৱকান্ত বৰুৱাৰ কবিতাৰ আংগিক সম্পৰ্কে আলোচনা কৰা।

(চ) ৰাম গগৈৰ 'নদী' কবিতাটিৰ বিষয়বস্তু চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিৰ কোনবোৰ দিশ প্ৰকাশ পাইছে, এই সন্দৰ্ভত এটি চমু আলোচনা আগবঢ়োৱা।

(খ) ৰোমাণ্টিক কবিতা হিচাপে যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাটিৰ এটি পৰিচয় দাঙি ধৰা।

(গ) 'পৰম তৃষ্ণা' কবিতাটিৰ মাজেৰে কবিৰ দাৰ্শনিক চিন্তা-চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) দেৱকান্ত বৰুৱাক 'দোমোজাৰ' কবি বুলি কিয় অভিহিত কৰা হয়? তেওঁৰ কবিতাৰ আংগিকগত দিশত কি বিশেষত্ব লক্ষ্য কৰা যায়, আলোচনা কৰা।

(ঙ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিত অতীত, বৰ্তমান আৰু ভবিষ্যতৰ পটভূমিত মানৱীয় কৰ্ম কেনেদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(চ) অসমীয়া কাব্যসাহিত্যত নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাৰ স্থান নিৰ্ণয় কৰি এটি চমু আলোচনা দাঙি ধৰা।

(ছ) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি'ৰ মাজেৰে গ্ৰাম্য অৰ্থনীতিৰ কি স্বৰূপ প্ৰকাশ পাইছে, বিচাৰ কৰা।

***